# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-May-2026 **Time :** 1800 HRS

***Assamese Evening Bulletin***

——————————————————————

## HEADLINES (6.00 PM)

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে ড০ হিমন্ত বিশ্ব শৰ্মাৰ শপতগ্ৰহণ।

২। বিজেপিৰ ৰামেশ্বৰ তেলী, অজন্তা নেওগ, মিত্ৰদল অগপৰ অতুল বৰা আৰু বিপিএফৰ চৰণ বড়োৰ মন্ত্ৰী হিচাপে শপত।

৩। যোৱা ৩ মে'ত অনুষ্ঠিত নীট ইউ জি-২০২৬ বাতিলৰ সিদ্ধান্ত।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ্ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ উপস্থিতিত জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। খানাপাৰাত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মুখ্যমন্ত্ৰীগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়।

ড০ হিমন্ত বিশ্ব শৰ্মাৰ চাৰিগৰাকী সতীৰ্থ বিধায়কেও আজি খানাপাৰাত শপত গ্ৰহণ কৰে। বিজেপিৰ অজন্তা নেওগ আৰু ৰামেশ্বৰ তেলীয়ে আজি মন্ত্ৰী হিচাপে শপত লয়।

*(বাইট)* ৰামেশ্বৰ তেলী

মিত্ৰদল অগপৰ পৰা দলটোৰ সভাপতি অতুল বৰা আৰু বিপিএফৰ পৰা চৰণ বড়োৱে আজি মন্ত্ৰী হিচাপে শপত লয়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বিধানসভাৰ অধ্যক্ষ হিচাপে দায়িত্ব ল'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহান, জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মালা সীতাৰমণ, সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰী, মণিপুৰৰ মুখ্যমন্ত্ৰী য়ুমনাম খেমচান্দ সিং, ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ চাৱান্ত, অৰুণাচলৰ উপ-মুখ্যমন্ত্ৰী চাওনামেন, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহা আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ৰ উপৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা ২২ খন ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ ভালেসংখ্যক জ্যেষ্ঠ নেতাই অংশ লয়। অনুষ্ঠানত আমেৰিকাৰ ৰাষ্ট্ৰদূত ছাৰ্জিঅ' গৰৰ উপৰি

কেইবাখনো ৰাষ্ট্ৰৰ প্ৰতিনিধি, বিভিন্ন দেশৰ বিশিষ্ট উদ্যোগপতি,সত্ৰাধিকাৰ, দলৰ কাৰ্যকৰ্তা আৰু বুথ সমিতিৰ সভাপতিসকল উপস্থিত থাকে।

০০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভা শীঘ্ৰেই সম্প্ৰসাৰণ কৰা হ'ব বুলি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই সংবাদ মাধ্যমক জানিবলৈ দিয়ে। সভাপতি শ্ৰীশইকীয়াই কয়, যে ২১ মে'ৰ পৰা হ'বলগীয়া অসম বিধানসভাৰ অধিৱেশনত নতুন মন্ত্ৰীসকলে শপত গ্ৰহণ কৰিব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ সৈতে আলোচনা চলি আছে বুলিও তেওঁ প্ৰকাশ কৰে।

**বাইট (দিলীপ শইকীয়া)**

০০০০০০০০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা চমুকৈ এন টি এই যোৱা ৩ মে'ত অনুষ্ঠিত নীট ইউ জি-২০২৬ বাতিল কৰিছে। সামাজিক মাধ্যমযোগে সংস্থাটোৰ সূত্ৰই কয়, যে ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি আৰু পৰীক্ষা ব্যৱস্থাটোৰ প্ৰতি আস্থা বৰ্তাই ৰাখিবলৈ এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই পৰীক্ষাত প্ৰশ্নকাকত ফাদিলৰ অভিযোগৰ বিস্তৃত তদন্তৰ বাবে বিষয়টো কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইলৈ প্ৰেৰণৰো সিদ্ধান্ত লোৱা হয়। এন টি এৰ সূত্ৰই প্ৰকাশ কৰা মতে তদন্তকাৰী সংস্থাটোক বিষয়টো তদন্ত কৰাৰ বাবে প্ৰয়োজনীয় সকলো নথি আগবঢ়াই সহায় কৰা হ'ব। এন টি এই, অন্যান্য কেন্দ্ৰীয় সংস্থা আৰু বিধি বলৱৎকাৰী সংস্থাসমূহৰ তদন্তত লাভ কৰা সমলসমূহ চালিজাৰি চাই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। সংস্থাটোৱে প্ৰকাশ কৰা মতে পুনৰ নিৰ্ধাৰণ কৰা তাৰিখত এই পৰীক্ষা অনুষ্ঠিত হ'ব। পঞ্জীয়ন আৰু শিক্ষাৰ্থীৰ তথ্যৰ লগতে ২০২৬ চনৰ এই পৰীক্ষাৰ বাবে নিৰ্বাচিত কেন্দ্ৰসমূহ অপৰিৱৰ্তিত থাকিব বুলি সংস্থাটোৱে প্ৰকাশ কৰে। তদুপৰি নতুনকৈ কোনো মাচুল আৰু পঞ্জীয়নৰ প্ৰয়োজন নহ'ব বুলি সংস্থাটোৱে স্পষ্ট কৰি দিছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ১৫গৰাকী নাৰ্চক ৰাষ্ট্ৰীয় ফ্ল'ৰেন্স নাইটিংগেল সন্মান ২০২৬ প্ৰদান কৰে। আন্তঃৰাষ্ট্ৰীয় ধাত্ৰী দিৱসৰ সৈতে সংগতি ৰাখি আজি নাৰ্চিং ক্ষেত্ৰখনত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে নাৰ্চসকলক এই সন্মান প্ৰদান কৰা হয়। এই সন্মানীয় পুৰস্কাৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগতে স্বায়ত্তশাসিত অঞ্চলসমূহ তথা স্বেচ্ছাসেৱী সংগঠনৰ পঞ্জীয়নভুক্ত নাৰ্চসকলক এই সন্মানৰ বাবে বিবেচনা কৰা হয়। এই সন্মানৰ লগত এখন প্ৰমাণপত্ৰ, ১ লাখ নগদ ধন আৰু এটা স্মাৰক প্ৰদান কৰা হয়। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডা, কেন্দ্ৰীয় স্বাস্থ্য ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যাদৱ আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল এই অনুষ্ঠানত উপস্থিত থাকে।

ইপিনে আজি আন্তঃৰাষ্ট্ৰীয় ধাত্ৰী দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰোগী পৰিচৰ্যাৰ বাবে স্বাৰ্থহীনভাৱে সেৱা আগবঢ়োৱা প্ৰতিগৰাকী ধাত্ৰীলৈ শুভেচ্ছা জনায়। অনাগত সময়ত ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ বিকাশৰ সমান্তৰালকৈ প্ৰতিগৰাকী চিকিৎসক আৰু নাৰ্ছৰ বাবে উন্নত সুবিধা সৃষ্টি কৰিবলৈ নতুন চৰকাৰে চেষ্টা অব্যাহত ৰাখিব বুলি তেওঁ প্ৰকাশ কৰে।

দৰং জিলাৰ মঙলদৈৰ জি এন এম পৰীক্ষণ কেন্দ্ৰত সপ্তাহজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত আন্তৰ্জাতিক ধাত্ৰী দিৱসৰ আজি সামৰণি পৰে। এই দিৱস উপলক্ষে শিক্ষানুষ্ঠানখনৰ প্ৰশিক্ষাৰ্থীসকলৰ মাজত বিভিন্ন খেল-

ধেমালি, সাহিত্য, সংস্কৃতি আৰু হস্তকলাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দিৱসৰ সৈতে সংগতি ৰাখি প্ৰতিষ্ঠানখনত ফ্লৰেন্স নাইটিংগেল আৰু শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়।

নলবাৰী নাৰ্ছিং কলেজৰ উদ্যোগতো আজি দিনজোৰা কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় ধাত্ৰী দিৱস পালন কৰা হয়। জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানৰ আৰম্ভণিতে ফ্লৰেন্স নাইটিংগেল আৰু শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। দিৱসৰ সৈতে সংগতি ৰাখি নলবাৰী নাৰ্ছিং কলেজৰ চলিত বৰ্ষৰ মুখপত্ৰ **প্ৰয়াস** উন্মোচন কৰা হয়। কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপক সঞ্জীৱ গোস্বামীয়ে মুখপত্ৰখন উন্মোচন কৰে।

০০০০০০০

জি আই টেগ লাভ কৰা তেজপুৰৰ বিখ্যাত লিচুৰ বিষয়ে প্ৰচাৰৰ উদ্দেশ্যৰে অহা ৬ আৰু ৭ জুনত দুদিনীয়া কাৰ্যসূচীৰে  দ্বিতীয় তেজপুৰ লিচু মহোৎসৱৰ আয়োজন কৰা হৈছে। স্থানীয় একাংশ যুৱ উদ্যোগী আৰু লিচু খেতিয়কৰ তৎপৰতা তথা কৃষি বিষয়া আৰু পৰ্যটন বিভাগৰ সহযোগত বিগত বৰ্ষৰ প্ৰথম লিচু মহোৎসৱৰ সফলতাৰ পাছত ইয়াৰ দ্বিতীয় বাৰ্ষিক মহোৎসৱ তেজপুৰ জিলা পুথিভঁৰাল প্ৰাংগণত আয়োজন কৰিবলৈ লোৱা হৈছে।  এপেডাই সহযোগী হিচাপে অংশগ্ৰহণ কৰিবলগীয়া এই বৰ্ষৰ লিচু উৎসৱত শিক্ষাৰ্থীসকলৰ অনুষ্ঠানৰ লগতে সাংস্কৃতিক অনুষ্ঠান আয়োজনৰো সিদ্ধান্ত লোৱা হৈছে। লগতে লিচুৰ বাগিচা ভ্ৰমণ, ইয়াৰ প্ৰক্ৰিয়াজাত সামগ্ৰীৰ প্ৰদৰ্শনী তথা বিক্ৰী, বাগিচাৰ পৰাই কৃষকৰ পৰা পোনপটীয়াকৈ সতেজ লিচু ক্ৰয় আদিৰ সুবিধাও এই দুদিনীয়া কাৰ্যসূচীত সন্নিবিষ্ট থাকিব। এই মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিবলৈ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনোৱা হ'ব বুলি আয়োজকসকলে জানিবলৈ দিছে।

০০০০০০০০

বতৰ ভিত্তিক কৃষি বিজ্ঞান পৰামৰ্শ সেৱা আৰু দুৰ্যোগ প্ৰস্তুতি ব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে শেহতীয়াকৈ কেইবাটাও গুৰুত্বপূৰ্ণ ডিজিটেল পদক্ষেপ গ্ৰহণ কৰিছে। শোণিতপুৰ জিলাৰ দুৰ্যোগ প্ৰাধিকৰণে এই সন্দৰ্ভত এখন বিজ্ঞপ্তি যোগে কৃষক তথা সৰ্বসাধাৰণ ৰাইজক অৱগত কৰিছে। বতৰৰ আগজাননী আৰু কৃষি কাৰ্য্যৰ সুবিধাৰ বাবে মুকলি কৰা এই নতুন ডিজিটেল মঞ্চসমূহ মূলত স্থান-নিৰ্দিষ্ট বতৰৰ পূৰ্বাভাস আৰু শস্য সম্পৰ্কীয় পৰামৰ্শৰ বাবে তৈয়াৰ কৰা হৈছে। এই পদক্ষেপ সমূহ জৰিয়তে তৃণমূল পৰ্য্যায়ত বতৰ সম্পৰ্কীয় পৰামৰ্শ সমূহৰ গুণগত মান, শুদ্ধতা আৰু ব্যৱহাৰযোগ্যতা বৃদ্ধি কৰাৰ লগতে জলবায়ু স্থিতিস্থাপক কৃষি পদ্ধতিক উৎসাহিত কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুসৰি আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত শোণিতপুৰ জিলাত আজি AIR RAID অনুশীলন কৰা হয়। তেজপুৰৰ অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ আস্থানৰ সমীপত অৱস্থিত ভাৰতীয় ষ্টেট বেংকৰ মুখ্য শাখাৰ কাষত দুই মিনিটৰ বাবে বিপদ সংকেতৰ আখৰামূলক চাইৰেণ বজোৱা হয়। ইয়াৰ কিছু সময়ৰ পাছত পৰিস্থিতি স্বাভাৱিক হোৱাৰ প্ৰতীক হিচাপে পুনৰ একেৰাহে দুই মিনিটৰ বাবে বিপদমুক্ত সংকেত বজোৱা হয়। ইয়াৰ লগতে জিলা প্ৰশাসনৰ তৰফৰ পৰা উদ্ধাৰ কাৰ্যৰো আৰম্ভণি কৰা হয়। এই সমগ্ৰ প্ৰক্ৰিয়াটো আখৰা হিচাপেহে আয়োজন কৰাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে ৰাইজক আতংকিত নহ'বলৈ আহ্বান জনায়।

০০০০০০০

কবি, শিশু সাহিত্যিক জোনমণি দাসৰ আদি পুৱা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত হাস্পতালত মৃত্যু হয়। সাম্প্ৰতিক সময়ৰ জনপ্ৰিয় তথা বলিষ্ঠ কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰা দাসক কালি সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও আজি পুৱা তেওঁৰ মৃত্যু ঘটে। কবিগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে চিকিৎসালয়খনত তেওঁৰ অনেক গুণমুগ্ধই ভিৰ কৰে আৰু তেওঁলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়লৈ প্ৰান্তিক আলোচনীৰ সম্পাদনা বিভাগত কৰ্মৰত দাসে সমকামী সূৰ্য, নিনাদিত নিৰ্জনতা, মৈথুনৰত মাছ আদি কেইবাখনো কাব্যগ্ৰন্থ ৰচনা কৰিছে।

00000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

0000000

সমাপ্ত